
Guwahati, Wednesday, December 4, 2019
দৈনিক জনমভূমি

## বিজেপি, কংগ্ৰেছৰ নেতাৰ হাতোৰাত প্ৰকৃতি ধ্বংস

# জয়পুৰত বালিৰ অবৈধ ব্যৱসায়



**দৈনিক জনমভূমিৰ প্ৰতিবেদন ঃ** ৩ ডিচেম্বৰ ঃ জয়পুৰ বৰ্ষাৰণ্যৰ পৰা মাথোঁ আধা কিল'মিটাৰ নিলগত বালি মাফিয়াই সম্পূৰ্ণ অবৈধভাৱে বুঢ়িদিহিঙৰ পৰা বালিৰ খনন চলাই থকা কাণ্ডই চকু কপালত তুলিছে। অবৈধ বালি খননৰ কাৰ্যত কংগ্ৰেছ আৰু বিজেপিৰ নেতা-কৰ্মীয়ে একেলগে কাম কৰি প্ৰকৃতি ধ্বংসত হাত উজান দিয়াৰ অভিযোগ উঠিছে। এই কাণ্ড সংঘটিত হৈছে নাহৰকটীয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত জয়পুৰ থানাৰ এলেকাধীন তিপাম তথা উষাপুৰ অঞ্চলত। প্ৰণিধানযোগ্য যে যদিও এই অঞ্চলটো জয়পুৰ বনাঞ্চলৰ নিচেই কাষত অৱস্থিত, তথাপি এলেকা হিচাপে এই অঞ্চল ডিগবৈ বন সংমণ্ডলৰ চৰাইপুং বনাঞ্চলিক কাৰ্যালয়ৰ অধীনত পৰে। বিজেপিৰ এগৰাকী ব্লক সভাপতি তথা উষাপুৰ অঞ্চলৰ লাহন উপাধিধাৰী দুজন বালি ব্যৱসায়ীয়ে দীৰ্ঘদিন ধৰি অঞ্চলটোত অব্যাহত ৰাখিছে অবৈধ বালিৰ ৰমৰমীয়া বেহা। মন কৰিবলগীয়া যে ডিগবৈ বন সংমণ্ডলৰ বিষয়া-কৰ্মচাৰীক মাহেকীয়া কমিছনৰ ভিত্তিত মেনেজ কৰি অব্যাহত ৰখা এই ব্যৱসায়ৰ মূল সূত্ৰা এই ভাতৃদ্বয়ে কেৱল বালি খনন কৰাতে ক্ষান্ত নাথাকি এইবাৰ আনকি বুঢ়ীদিহিং নদীৰ মাজুলীও খান্দি খণ্ড-বিখণ্ড কৰিছে। মন কৰিবলগীয়া যে দৈনিক ৩খনকৈ জে চি বি আৰু ৬/৮খন ডাম্পাৰ ব্যৱহাৰ কৰা এই ভাতৃদ্বয়ৰ লগত বৰ্তমান সহযোগী ৰূপে লগ লাগিছে জনৈক বিনোদ আৰু ৰূপম নামৰ দুজন কংগ্ৰেছী সদস্যই। প্ৰতিদিনেই শতাধিক ডাম্পাৰৰ যোগেদি জয়পুৰ নেপক দলঙৰ ওপৰেৰে জয়পুৰ, নামৰূপ, নাহৰকটীয়া, ডিব্ৰুগড়, সাপেখাতী, সোণাৰি তথা অৰুণাচল প্ৰদেশৰ বিভিন্ন ঠাইলৈ বালি প্ৰেৰণ কৰে। এই ডাম্পাৰবোৰ জয়পুৰ আৰক্ষী তথা জয়পুৰ বন বিভাগৰ হাতত কিয় ধৰা নপৰে, সেয়াও ৰহস্যৰ আৱৰ্তত।



# Tai body concerned over unabated deforestation in Lakhimpur

A CORRESPONDENT

**LAKHIMPUR, Dec 3:** The Lakhimpur district committee of Tai Ahom Yuva Chatra Sanmilan, Asom expressed strong resentment against the Lakhimpur Divisional Forest Office regarding the deforestation caused by illegal saw mills active in the district. The organization alleged that the owners of the illegal saw mills had been unabatedly destroying the district forest by mercilessly cutting valuable trees.

In a press release sent to the media, Joyjyoti Gogoi, the Lakhimpur unit president of the Tai Ahom Yuba Chatra Sanmilan, stated that most of the Shimalu trees of the forest areas had been cut due to the illegal saw mills. "As a result of it, vulture species of birds are facing extinction because these birds build their nests on the Shimalu trees. Simultaneously, the cutting of the trees has tremendously contributed to the increase in global warming, thereby affecting the eco-system," the press release stated.

Further, the president of the organization alleged that planks of Shimalu tree had been rampantly transported to various parts of the district from Balighat, Adisuti and Aserakota of the district. Under such circumstances, the president of the organization condemned the Lakhimpur Divisional Forest office for not initiating any steps against these timber smugglers. He demanded the office concerned to stop the illegal deforestation activities and to take action against the illegal saw mills or to face massive protest programme.

নিয়মীয়া বাৰ্তা
বুধবাৰ, ৪ ডিচেম্বৰ ২০১৯

## গুৰুত্ব নাই জিলা প্ৰশাসনৰ ঃ শুই-বহি চৰকাৰী দৰমহা ভোগ বন বিভাগৰ

# ব্ৰহ্মপুত্ৰত অবৈধ খনন, অস্তিত্বৰ সংকটত হাটশিঙিমাৰী

নিয়মীয়া বাৰ্তা, দক্ষিণ শালমাৰা, ৩ ডিচেম্বৰ ঃ দক্ষিণ শালমাৰা-মানকাচৰ জিলাৰ ভাৰত-বাংলাদেশ সীমান্তৱৰ্তী একাংশ স্থানত ব্ৰহ্মপুত্ৰৰ বুকুত এটা দুষ্টচক্ৰই চীনা পদ্ধতিৰে অবৈধভাৱে মাটি খনন কৰাত জিলাৰ সদৰ হাটশিঙিমাৰীলৈ চৰম ভাবুকি নামি আহিছে যদিও জিলা প্ৰশাসনে সকলো দেখিও বিষয়টোৰ প্ৰতি গুৰুত্ব নিদিয়াৰ লগতে জিলাখনৰ বন বিভাগেও চকু মুদা কুলিৰ ভাও ধৰাৰ অভিযোগ উঠিছে। উল্লেখ্য যে জিলাৰ সদৰ হাটশিঙিমাৰীৰ পৰা মাত্ৰ প্ৰায় তিনি কিলোমিটাৰ নিলগত থকা বাংৰীৰচৰ, কোকৰাডাঙাকে ধৰি সুখচৰ, হাজিৰহাট, পাটাকাটা, টুমনি আদিকে ধৰি একাংশ স্থানত মেচিন ব্যৱহাৰ কৰি ব্ৰহ্মপুত্ৰৰ বুকুত অবৈধভাৱে খনন কাৰ্য চলি আছে। বিশেষকৈ ভাৰত-বাংলাদেশ সীমান্তৱৰ্তী বাংৰীৰচৰ, কোকৰাডাঙা আদি এলেকাত এইদৰে ব্ৰহ্মপুত্ৰৰ বুকুত অবৈধভাৱে মাটি খনন কাৰ্য চলাই থকাৰ ফলত ডাঙ্ডাঙৰ দ-খালৰ সৃষ্টি হৈছে। বৰ্তমানে খৰাং বতৰ হোৱা বাবে নদীৰ বুকু শুকাই গৈছে যদিও বাৰিষা কাল আহিলে নদীয়ে ভয়াৱহ ৰূপ ধাৰণ কৰি গৰাখহনীয়া চলাই হাজাৰ হাজাৰ পৰিয়ালক গৃহহীন কৰাৰ লগতে একাংশ গাঁও ব্ৰহ্মপুত্ৰ নদীৰ বুকুত বিলীন গৈছে। ইফালে চৰকাৰে ব্ৰহ্মপুত্ৰ নদীৰ গৰাখহনীয়া প্ৰতিৰোধৰ বাবে কোটি কোটি টকা খৰচ কৰি নদীৰ পাৰত পাৰ্কিউপাইনৰ ব্যৱস্থা কৰিছিল যদিও পাৰ্কিউপাইনৰ কাষতে দুষ্ট চক্ৰই এতিয়া মাটি খনন কৰি বিভিন্ন ঠাইত বিক্ৰী কৰি ৰমৰমীয়া ব্যৱসায় চলাই আছে। ব্ৰহ্মপুত্ৰ খনন কৰি মাটি বিক্ৰী কৰাৰ ফলত ঠায়ে ঠায়ে দ খাল হ'বলৈ ধৰিছে। আনহাতে একাংশ স্থানত ট্ৰেক্টৰ ব্যৱহাৰ কৰিও ব্ৰহ্মপুত্ৰৰ বুকুত খনন কাৰ্য চলোৱাৰ ফলত নৈপৰীয়ালৈ ভাবুকি আহিছে। এইদৰে ব্ৰহ্মপুত্ৰ নদীৰ বুকুত অবৈধভাৱে মাটি-বালিৰ খনন চলি থাকিলে বাৰিষাৰ সময়ত নদীৰ পাৰত গৰাখহনীয়াই অধিক ভয়ংকৰ ৰূপ ধাৰণ কৰিব বুলি স্থানীয় ৰাইজে দাবী কৰে। এনে খনন কাৰ্য বন্ধ নকৰিলে গৰাখহনীয়াৰ ফলত এখনৰ পিছত আন এখন গাঁও ব্ৰহ্মপুত্ৰৰ বুকুত বিলীন হৈ দুই-এবছৰৰ ভিতৰতে জিলাৰ সদৰ হাটশিঙিমাৰী জিলা উপায়ুক্তৰ কাৰ্যালয়লৈও ভাবুকি আনিব পাৰে। ফলত জিলা উপায়ুক্তৰ কাৰ্যালয়, জিলা আৰক্ষী অধীক্ষকৰ কাৰ্যালয়কে ধৰি জিলাখনৰ সকলো ঐতিহ্য জাহ যাব ব্ৰহ্মপুত্ৰৰ বুকুত। ফলত হাটশিঙিমাৰী ব্ৰহ্মপুত্ৰ নদীত জাহ গ'লে চুবুৰীয়া ৰাজ্যৰ মেঘালয়ৰ গাৰো পাহাৰ হ'ব নদীৰ পাৰ। স্থানীয় ৰাইজে ব্ৰহ্মপুত্ৰ খনন বন্ধৰ বাবে চৰকাৰৰ ওচৰত দাবী জনাইছে। মন কৰিবলগীয়া বিষয় এয়া যে জিলা প্ৰশাসনক একাংশ লোক এই বিষয়ে অৱগত কৰাৰ পাছতো অবৈধ মাটি খননৰ প্ৰতি সামান্যতমও গুৰুত্ব নিদিয়াৰ অভিযোগ উঠিছে। একেদৰে হাটশিঙিমাৰী বন বিভাগে কেৱল মাহেকৰ চৰকাৰী দৰমহা ভোগ কৰি শুই-বহি দিন পাৰ কৰি সকলো দেখি নেদেখাৰ ভাও জুৰি থকা বুলি সচেতন মহলে অভিযোগ তুলিছে। বন বিভাগৰ এনে ভূমিকাই এটা কথা স্পষ্টভাৱে প্ৰমাণ কৰে যে অবৈধ মাটি খননৰ ক্ষেত্ৰত বন বিভাগ জড়িত হৈ আছে। নহ'লে কিয় আজিলৈ এনে অবৈধ খননৰ বিৰুদ্ধে বন বিভাগে কোনো ব্যৱস্থা গ্ৰহণ নকৰে, সেয়া অতিকৈ ৰহস্যজনক।

Guwahati, Wednesday, December 4, 2019
দৈনিক জনমভূমি

# খোৱাঙৰ বুঢ়ীদিহিঙতো বালিৰ অবৈধ খনন

## নীৰৱ দৰ্শক বন বিভাগ



খোৱাং ঃ নিজা প্ৰতিবেদক, ৩ ডিচেম্বৰ ঃ ডিব্ৰুগড় জিলাৰ খোৱাঙৰ দীঘলীয়া হোলাৰ বুঢ়ীদিহিং নদীত অবৈধভাৱে বালিৰ খনন কৰি থকা বালি মাফিয়াক নাকী লগাব পৰা নাই বন বিভাগে। ডিব্ৰুগড় জিলাৰ বন বিষয়া কাৰ্যালয়ৰ অন্তৰ্গত খোৱাং আঞ্চলিক বন বিষয়া কাৰ্যালয়ৰ অধীনৰ খোৱাং দীঘলীয়া হোলাত দীৰ্ঘদিন ধৰি বুঢ়ীদিহিং নদীত কেইজনমান বালি মাফিয়াই অবৈধভাৱে চলাই আহিছে বালি খনন। বন বিভাগৰ জ্ঞাতসাৰে চলি অহা এই অবৈধ বালি খনন বন্ধ কৰিবলৈ বন বিভাগক বাৰম্বাৰ কৈ থকাৰ পাছতো বিভাগে আজিলৈকে কোনো পদক্ষেপ নোলোৱাৰ অভিযোগ উঠিছে। খোৱাং আঞ্চলিক বন বিভাগৰ এজন দায়িত্বশীল বিষয়াই বালি মাফিয়াই আমাৰ কথা নুশুনে বুলি চাঞ্চল্যকৰ মন্তব্য কৰে সাংবাদিকৰ আগত। বিষয়াজনে ইয়াক ৰোধ কৰিবলৈ আৰক্ষীৰ সহযোগিতাৰ প্ৰয়োজন হ'ব বুলিও কয়। বন বিভাগ একপ্ৰকাৰ নীৰৱ দৰ্শক হৈ আছে। বিষয়টোৱে সচেতন মহলৰ মাজতো তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। এই সন্দৰ্ভত আছুৰ ডিব্ৰুগড় জিলা সমিতিৰ সহকাৰী সাধাৰণ সম্পাদক ৰাহুল কোঁৱৰে কয় যে খোৱাঙৰ বুঢ়ীদিহিং নদীত অবৈধভাৱে চলি থকা বালি খননে কেৱল মথাউৰিসমূহৰ প্ৰতিয়েই নহয় ৰাস্তা-ঘাটসমূহৰ প্ৰতিও ভাবুকি কঢ়িয়াই আনিছে। কোঁৱৰে বন বিভাগক শীঘ্ৰে অবৈধ বালি খনন বন্ধ কৰিবলৈ দাবী জনোৱাৰ লগতে অনাগত দিনত ইয়াৰ বিৰুদ্ধে তীব্ৰ আন্দোলন গঢ়ি তোলাৰ হুংকাৰ দিয়ে।